# ‘উদ্যোগী উদ্যম, ভৰপূৰ অসম’ঃ থলুৱা যুৱ উদ্যোগীৰ সৈতে অন্তৰঙ্গ আলাপ



(সোঁপিনৰ পৰা)
অমিয়কুমাৰ শৰ্মা,
ড° কুলধৰ শইকীয়া,
শান্তিকাম হাজৰিকা আৰু
ভাষণৰত শান্তি দলে

অসম সাহিত্য সভাৰ উদ্যোগত যোৱা ৬ জানুৱাৰি, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে গুৱাহাটী গ্ৰন্থমেলাৰ মঞ্চত অনুষ্ঠিত ‘উদ্যোগী উদ্যম, ভৰপূৰ অসম’ শীৰ্ষক অন্তৰঙ্গ আলাপত অসমৰ এচাম থলুৱা উদ্যোগীয়ে অংশগ্ৰহণ কৰি নিজস্ব অভিজ্ঞতা ব্যক্ত কৰে। সভাৰ যুৱ সংসদ উপ-সমিতিয়ে আয়োজন কৰা এই ব্যতিক্ৰমধৰ্মী অনুষ্ঠানটিত সভাপতিত্ব কৰে সভাৰ মাননীয় সভাপতি ড° কুলধৰ শইকীয়াই আৰু সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট উদ্যোগ প্ৰশাসকদ্বয় শান্তিকাম হাজৰিকা আৰু অমিয়কুমাৰ শৰ্মা।

উপ-সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰফুল্ল বৰ্মনে অনুষ্ঠানটিৰ উদ্দেশ্য ব্যক্ত কৰাৰ পিছত সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই আটাইকে আদৰণি জনায়। উপ-সমিতিৰ আহ্বায়ক সিদ্ধাৰ্থ শংকৰ বেজবৰুৱাই আঁতধৰা এই অনুষ্ঠানটিত প্ৰথমে সভাপতি ড° শইকীয়াই তেওঁৰ প্ৰাৰম্ভিক ভাষণত অসমৰ অৰ্থনৈতিক বুনিয়াদ গঢ়ি তোলাৰ ক্ষেত্ৰত এই উদ্যোগীসকলৰ ভূমিকা বৃহত্তৰ অসমৰ সমাজ জীৱনত অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে আৰু ইয়াৰ পিছত কুৰিগৰাকীৰো অধিক থলুৱা উদ্যোগীয়ে নিজস্ব উদ্যোগৰ প্ৰসাৰণ, ঘাট-প্ৰতিঘাট, ভৱিষ্যত পৰিকল্পনা আদিৰ বিষয়ে আন্তৰিকতাৰে বক্তব্য আগবঢ়ায়। এইসকল উদ্যোগীৰ ভিতৰত অতুল লহকৰ, শ্ৰীমতী শান্তি দলে, মনোৰম গগৈ, ড° মধুমিতা শইকীয়া, কৰিস্মা বেগম, অজিত শৰ্মা বৰুৱা, ৰঞ্জিৎ শৰ্মা, প্ৰাঞ্জল বৰুৱা, নয়নজ্যোতি ভট্টাচাৰ্য, ৰাজীৱ ডেকা, মানস চলিহা, ৰঞ্জিৎ বৰুৱা আৰু শতাৰ্যী ভট্টাচাৰ্যৰ নাম উল্লেখযোগ্য।

এইসকল বক্তাৰ বক্তব্যৰ মাজত সমল ব্যক্তি অমিয়কুমাৰ শৰ্মাই আৰু আটাইৰে বক্তব্যৰ শেষত অন্যতম সমল ব্যক্তি শান্তিকাম হাজৰিকাই উদ্যোগীসকললৈ অনুপ্ৰেৰণামূলক, সু-চিন্তিত মতামত আগবঢ়ায়। শেষত, সভাপতি ড° শইকীয়াই তেওঁৰ সামৰণি ভাষণত আটাইকেইগৰাকী উদ্যোগীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি নতুন চিন্তা-চেতনাৰে উদ্যোগ আৰু ব্যৱসায়ৰ দিশত আগবাঢ়ি যাবলৈ অসমৰ নতুন পুৰুষলৈ আহ্বান জনায়।



অনুষ্ঠানৰ শেষত থলুৱা উদ্যোগীসকলৰ সৈতে অমিয়কুমাৰ শৰ্মা,
ড° কুলধৰ শইকীয়া আৰু শান্তিকাম হাজৰিকা